# ইউ.আৰ. অনন্তমূৰ্ত্তিক মই যিদৰে জানিছিলো

২০১৪ চনৰ ২২ আগষ্টৰ দিনটো আছিল কৰ্ণাটক তথা ভাৰতবৰ্ষৰ বাবে এটা দুখজনক দিন। সেইদিনাই কৰ্ণাটকই হেৰুৱালে এজন অনন্য সৃষ্টিশীল লেখক আৰু অন্যতম শ্ৰেষ্ঠ বুদ্ধিজীৱিক। ভাৰতবৰ্ষই হেৰুৱালে এজন বিশিষ্ট চিন্তাবিদ আৰু সুযোগ্য সন্তানক। মই ব্যক্তিগতভাবে হেৰুৱালো মোক মৰম কৰা এজন মানুহ আৰু কান্নাড়া ভাষাত মোক 'তই' বুলি সম্বোধন একমাত্ৰ ব্যক্তিজনক। তেখেত আছিল কান্নাড়া সাহিত্যৰ ষষ্ঠজন জ্ঞানপীঠ বটা (কান্নাড়া ভাষাত এতিয়ালৈ ৮ জন সাহিত্যিকে এই বটা লাভ কৰিছে) বিজয়ী সাহিত্যিক পদ্মভূষণ ইউ.আৰ. অনন্তমূৰ্ত্তি। তেখেতৰ সম্পূৰ্ণ নাম হৈছে উডুপি ৰাজাগোপালচাৰ্য্য অনন্তমূৰ্ত্তি। যদিও তেখেতৰ জন্ম শিমোগাৰ তীৰ্থহাল্লি নামৰ ঠাইত হৈছিল তেখেতসকল মূলতঃ উডুপিৰ মানুহ আছিল। ৰাজাগোপালচাৰ্য্য তেখেতৰ পিতৃৰ নাম। উডুপি ঠাইখন কেইবাটাও কাৰণে বিখ্যাত। সেই ঠাইৰ বা সেই ঠাইৰ পৰা উঠি অহা ভালেমান মানুহ কৃতকাৰ্য্যতাৰ শীৰ্ষস্থানত উঠাৰ বহুতো নজিৰ আছে। উদাহৰণস্বৰূপে ISRO (Indian Space Research Organization) ৰ প্ৰাক্তন চেয়াৰমেন ইউ.আৰ. ৰাওৰ কথাকে ক'ব পাৰি। উডুপি হোটেলবোৰ কেৱল কৰ্ণাটকতে নহয় – মুম্বাইকে ধৰি বিভিন্ন ঠাইত অতি বিখ্যাত আৰু জনপ্ৰিয়।

১৯৬৫ চনত সংস্কাৰ (কান্নাড়া উচ্চাৰণ চমস্কাৰা) নামৰ উপন্যাসখনৰ প্ৰকাশেৰে আলোড়নৰ সৃষ্টি কৰা অনন্তমূৰ্ত্তি আছিল একেধাৰে ঔপন্যাসিক, গল্পকাৰ, অনুবাদক, কবি, গৱেষক, শিক্ষাবিদ, ৰাজনৈতিক চিন্তাবিদ আৰু বুদ্ধিজীৱি। ছাত্ৰাৱস্থাতে তেখেত ৰাম মনোহৰ লোহিয়া, শান্তবেৰি গোপাল গৌড়াৰ সমাজবাদী আদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈছিল। সেয়েহে তেখেতৰ ঘনিষ্ঠ বন্ধুসকলৰ ভিতৰত সৰ্বভাৰতীয় নেতা জৰ্জ ফাৰ্ণাণ্ডেজ, মধু দণ্ডাৱটে আদি অন্যতম। এই সমাজবাদী আদৰ্শৰ প্ৰভাৱতে তেখেতে 'সংস্কাৰ' নামৰ উপন্যাসখনত নিজে ব্ৰাহ্মণ হোৱা স্বত্ত্বেও কৰ্ণাটকৰ ৰক্ষণশীল ব্ৰাহ্মণসমাজৰ অৰ্থহীন ধৰ্মীয় ৰীতিনীতি আদিক প্ৰকাৰান্তেৰে সমালোচনা কৰিছে। সমাজবাদী চিন্তাধাৰাৰ আভাষ তেখেতৰ প্ৰায় সকলোবোৰ লেখাতে দেখা যায়। এই উপন্যাসখনৰ এ.কে. ৰামানুজনে ইংৰাজীলৈ কৰা অনুবাদ 'Samskara : A Rite for a Dead Man' Illustrated Weekly of India ত ধাৰাবাহিকভাবে ওলাই থকা সময়ত মই কিছু পঢ়িছিলো যদিও এইখন যে এখন যুগান্তৰকাৰী উপন্যাস সেই কথা বুজিব পৰা নাছিলো। নায়কৰ ভাৰত গিৰিশ কাৰ্নাদে অভিনয় কৰা 'সংস্কাৰ' বোলছবিখনো মই চাইছো।

তেখেতে মাইচুৰত থকা মহাৰাজ কলেজৰ পৰা ইংৰাজীত অনাৰ্ছ লৈ বি.এ পাছ কৰিছিল। এইখিনিতে উল্লেখ কৰা হয়তো অপ্ৰাসংগিক নহ'ব যে সৰ্বপল্লী ৰাধাকৃষ্ণণে এইখন কলেজতে কেইবাবছৰো অধ্যাপনা কৰিছিল। এইটো সুযোগতে কও যে ময়ো তাত এবছৰ ধ্বনিবিজ্ঞান বিষয়টো পঢ়াইছিল। মহীশূৰ বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম.এ পাছ কৰাৰ পিছত তেখেতে ইংলেণ্ডৰ বাৰ্মিংহাম বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি কৰিছিলে। প্ৰথমতে তেখেতে ইয়াত থকা NCERT ৰ Regional College of Education (বৰ্তমান Regional Institute of Education) ত অধ্যাপনা কৰিছিল। পিছত মহীশূৰ বিশ্ববিদ্যালয়ৰ প্ৰফেচৰ আৰু মুৰব্বী হয়। ১৯৮৮ চনত কেৰালাৰ কট্টায়ামত আৰম্ভ হোৱা মহাত্মা গান্ধী বিশ্ববিদ্যালয়ত তেখেতে প্ৰথমজন উপাচাৰ্য্য হিচাপে ভাৰ গ্ৰহণ কৰে। তেখেতে National Book Trust of India ৰ চেয়াৰমেন, সাহিত্য একাডেমিৰ সভাপতি, Film and Television Institute of India ৰ চেয়াৰমেন আদি বিভিন্ন পদবীত কাৰ্য্যনিবাহ কৰিছিল। দিল্লীৰ জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয় আৰু বিদেশৰ কেইবাখনো বিশ্ববিদ্যালয়ত তেখেতে ভিজিটিং প্ৰফেচৰ হিচাবে কাম কৰিছিল। অৱশেষত তেখেতে কৰ্ণাটক কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আচাৰ্য্য হিচাবে সেৱা আগবঢ়াইছিল।

তেখেতৰ বহুচৰ্চিত উপন্যাসকেইখন হৈছে সমস্কাৰা, ভাৰতীপূৰা, অৱস্থে (অৱস্থা)। তেখেতৰ কেইটামান উল্লেখযোগ্য গল্প হৈছে ঘটশ্ৰাদ্ধ, মৌনী, সূৰ্য্যানা কুদুৰে (সূৰ্য্যৰ ঘোঁড়া)। 'ভাৰতীপূৰা' কেইবাটাও আন্তৰ্জাতিক পুৰস্কাৰৰ বাবে মনোনিত হৈছিল।

তেখেতৰ বৈপ্লৱিক, সমাজবাদী চিন্তা কেৱল লেখাতে ফুটি উঠা নাছিল। তেখেতৰ সামাজিক আৰু ব্যক্তিগত জীৱনতো তাৰ প্ৰভাৱ আছিল অপৰিসীম। ব্ৰাহ্মণ হোৱা সত্ত্বেও তেখেত আমিষাহাৰী আছিল। কৰ্ণাটকৰ বহুতো ব্ৰাহ্মণ লোকে লুকাই মেলি মাছ মাংস খায়। কিন্তু তেখেতে সকলোৰে দেখা শুনাকৈ খাইছিল। ৰক্ষণশীল সমাজৰ সকলো নিয়ম উলংঘা কৰি নিজে ভাল পোৱা খৃষ্টান ছোৱালীক বিয়া কৰাইছিল। নিজকে কেতিয়াও নাস্তিক বুলি দাবী কৰা মই শুনা নাই যদিও তেখেতে যে কোনো পূজা পাতলত বিশ্বাস নকৰিছিল সেই কথা ভালদৰে জানো। মানবতাবাদ আছিল তেখেতৰ ধৰ্ম। জাতি, ধৰ্ম, ভাষা, লিংগ, বয়স নিৰ্বিশেষে সকলোকে অতি আগ্ৰহেৰে আকোৱালি ল'ব পৰাটো আছিল তেখেতৰ পৰম বৈশিষ্ট। তেখেতৰ মৃত্যুত প্ৰখ্যাত ইতিহাসবিদ আৰু লেখক ৰামচন্দ্ৰ গুহই লেখা এটা প্ৰৱন্ধত উল্লেখ কৰিছিল যে অনন্তমূৰ্ত্তিয়ে নিজতকৈ বহুত সৰু মানুহৰ পৰাও শিকিবলৈ আগ্ৰহ কৰিছিল যিটো অধিকাংশ বুদ্ধিজীৱিয়ে নকৰে।

এনে এজন ব্যক্তিৰ লগত পৰিচয় হোৱাৰ সুযোগ লাভ কৰাৰ লগতে তেখেতক ইমান ওচৰৰ পৰা ঘৰুৱাভাবে পোৱাৰ বাবে মই নিজকে অতি সৌভাগ্যৱতী বুলি গণ্য কৰো কাৰণ

তেখেতৰ পৰা মই বহুত কথাই শিকিলো। তেখেতৰ লগত প্ৰথম পৰিচয় হৈছিল ১৯৮৩ চনৰ আগষ্ট বা চেপ্তেম্বৰ মাহত। তেখেত মোৰ স্বামী (প্ৰাক্তন) এন.এছ. ৰঘুনাথৰ শিক্ষক আছিল। ইয়ালৈ অহাৰ কিছুদিনৰ পিছতেই তেওঁ মোক তেখেতৰ ঘৰলৈ লৈ গৈ চিনাকী কৰাই দিছিল। তেখেতৰ লগতে এইখন সমাজে মোক অতি সহজে আকোৱালি লোৱাৰ এটা প্ৰধান কাৰণ আছিল মাইচুৰৰ মানুহে চিনি পোৱা দুজন ব্যক্তিৰ লগত থকা মোৰ সম্পৰ্ক। প্ৰথমজন হ'ল অসমৰ প্ৰখ্যাত সাংবাদিক ধীৰেন্দ্ৰ নাথ বেজবৰুৱা। তেখেতে কেইবাবছৰো ওপৰত উল্লেখ কৰা Regional College of Education ত চাকৰি কৰিছিল। কেৱল তেখেতেই নহয় – তেখেতৰ সমস্ত পৰিয়ালে মাইচুৰত যথেষ্ঠ সুনাম অৰ্জন কৰিছিল। এও সকলোৰে ওচৰত মোক বেজবৰুৱাৰ সম্পৰ্কীয়া বুলি পৰিচয় কৰাই দিলে। দ্বিতীয়তে, সকলোৱে মোক ৺ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ ভতিজী বুলিও আকোৱালি ল'লে। খুড়া বহুতবাৰ বেংগালুৰু আৰু মাইচুৰলৈ আহিছিল আৰু সদায় আমাৰ ঘৰতেই আছিল। তেখেত আমাৰ ঘৰত থকা সময়ত ইয়াৰ প্ৰায়বোৰ লেখক, সাহিত্যিক, বুদ্ধিজীৱিৰ আমাৰ ঘৰত সমাগম হৈছিল। বিশেষকৈ খুড়া সাহিত্য একাডেমিৰ সভাপতি হৈ থকা কালছোৱাত তেখেতক লগ পাবলৈ বহুত মানুহ আহিছিল। আমিও সকলোকে নিমন্ত্ৰণ কৰি চাহ-ভাতৰ আয়োজন কৰিছিলো। বীৰেন খুড়া আৰু ধীৰেন দাদা দুয়ো অনন্তমূৰ্ত্তিৰ ভাল বন্ধু আছিল।

অনন্তমূৰ্ত্তিৰ আমাৰ এই পৰিয়ালৰ লগত সম্পৰ্ক ঘনিষ্ঠ হোৱাৰ আৰু এটা কাৰণ হৈছে মোৰ সৰুটো দেওৰ বাবু আৰু তেখেতৰ ল'ৰা শৰতৰ মাজৰ বন্ধুত্ব যাৰ বাবে তেখেতে বাবুক অত্যন্ত মৰম কৰিছিল আৰু সিও তেখেতক 'আপ্পা' বুলি মাতিছিল। চিভিল ইঞ্জিনিয়াৰ হোৱাৰ বাবে তেখেতসকলৰ ঘৰ দুৱাৰ সজোৱাৰ কাম সিয়েই তদাৰক কৰিছিল।

কৃতকাৰ্য্যতাৰ ইমান উচ্চ শিখৰত আৰোহণ কৰা স্বত্ত্বেও যে এজন ব্যক্তি ইমান অমায়িক, ইমান নিৰহংকাৰী আৰু মৰমীয়াল হ'ব পাৰে সেই কথা তেখেতক ওচৰৰ পৰা লগ পোৱা মানুহেহে বুজিব পাৰিব। এটা সৰু উদাহৰণ দিও। তেখেতসকল মাইচুৰত থাকোতে আমি প্ৰায়েই তালৈ গৈছিলো। এবাৰ যাওতে তেখেতৰ পত্নী এস্থাৰে আমাক মিঠাইৰে সৈতে একো কাপকৈ চাহ দি ওপৰৰ কোঠালিলৈ ল'ৰাৰ ওচৰলৈ গুছি গ'ল। পুত্ৰ শৰত সেইদিনা আমেৰিকাৰ পৰা আহি পাইছিল। তেতিয়া আমাৰ তিনিবছৰীয়া ল'ৰা নিশিতে মোক কানে কানে অসমীয়াতে ক'লে যে তাক গাখীৰ লাগে। মই তাক বুজালো যে ঘৰত গৈ দিম। অলপ পৰ মনে মনে থাকি পুনৰ বিচাৰিলে। এওঁৰ লগত কথা পতাত ব্যস্ত আছিল যদিও সি কিবা এটা বিচাৰিছে বুলি তেখেতে গম পাই মোক সোধাত মই একো নাই বুলি পাতলাই থ'লো। তেতিয়া তাক কান্নাড়াত সোধাত সি কৈ দিলে। তেখেতে নিজেই ফ্ৰিজৰ পৰা গাখীৰ উলিয়াই গৰম কৰি তাক দিয়াৰ দৃশ্য মোৰ এতিয়াও মনত আছে। মই ৰান্ধণি ঘৰলৈ সোমাই গৈছিলো যদিও তেখেতে 'এস্থাৰে ক'ত বস্তু থয় তই

বিচাৰি নাপাবি’ বুলি পঠাই দিলে। কথাটো শুনি সকলোৱে বৰ ৰগৰ পাইছিল। কোনো কোনোৱে কৈছিল “ই কম ল’ৰা নহয় দেই – স্বয়ং ভি চি ৰ দৰে মানুহৰ হতুৱায়ো গাখীৰ বকাই খায়।” তেখেতেসকলৰ মাইচুৰৰ ঘৰৰ ওপৰ মহলাত থকা লাইব্ৰেৰীটা আছিল মোৰ আটাইতকৈ প্ৰিয় স্থান। মই তাৰ পৰা কেইবাখনো আপুৰুগীয়া কিতাপ আনি পঢ়িছিলো।

তেখেতসকলৰ বেংগালুৰুৰ ঘৰলৈ মই মাত্ৰ দুবাৰমানহে গৈছো। শেষৰ বাৰ যাওতে এই ফটোখন তোলা হৈছিল। পত্নী ঘৰত নাছিল যদিও তেখেতে আমাক জোৰকৈ নিজে চাহ বাকি খুৱাইছিল।

আমাৰ দৰে সাধাৰণ মানুহকো তেখেতে কিমান গুৰুত্ব সহকাৰে লয় তাৰ বহুত উদাহৰণ আছে যদিও এটা উল্লেখ কৰো। এবাৰ ইয়াৰ পৰা প্ৰকাশ হোৱা এখন পুস্তিকাত মোৰ এটা লেখা ওলাইছিল। তাৰ পিছতে হোৱা এখন সভালৈ তেখেত মুখ্য অতিথি হিচাবে আহিছিল। মই তেখেতক বহুতদিন লগ পোৱা নাছিলো বাবে লগ পাবলৈ বৰ ইচ্ছা হৈছিল। কিন্তু মঞ্চলৈ উঠাৰ আগতে লগ ধৰিব নোৱাৰিলো। সভা ভংগ হোৱাৰ লগে লগে মন কৰিলো তেখেত মঞ্চৰ পৰা নামি আমি বহি থকা ফাললৈ আহি আছে। কিন্তু মোৰ ওচৰলৈ আহিছে বুলি কেতিয়াও ভবা নাছিলো। সচৰাচৰ কৰাৰ দৰে পিঠিত থপৰিয়াই কান্নাড়াতে ক’লে, “তোৰ লেখাটো পঢ়িলো। তই দেখোন বৰ ভাল লেখ। নিয়মিয়াকৈ লেখ নেকি ?” মই ক’লো যে ইংৰাজীত গৱেষণা পত্ৰ আদি সময়ে সময়ে লেখাৰ লগতে অসমীয়াতো মাজে সময়ে ইটো সিটো লিখো। তেতিয়া মৰমসনা খঙেৰে ক’লে, “মাজে সময়ে কিয় নিয়মিয়াকৈ লিখিবি। লেখা কামটো মাজে সময়ে কৰা কাম নহয়।”

আমাৰ বিবাহ বিচ্ছেদ হোৱাৰ বাবে তেখেতে বৰ দুখ কৰিছিল আৰু মিতমাত কৰাই দিবলৈ চেষ্টা কৰিছিল। মোৰ দেওৰহঁতক ভাগে ভাগে মতাই নি আলোচনা কৰিছিল। পুনৰ্মিলন অসম্ভৱ বুলি প্ৰত্যয় হোৱাৰ পিছতহে বাদ দিলে। তেনে সময়তে মোক এবাৰ লগ পাওতে সুধিছিলে, “তোৰ কিবা অসুবিধা হৈছে নেকি ? কিবা দৰ্কাৰ হ’লে মোৰ ওচৰলৈ আহিবলৈ সংকোচ নকৰিবি।”

পিছলৈ তেখেতক লগ পোৱাটো কমিছিল যদিও ইয়ালৈ আহিলে দেওৰৰ ঘৰত মাজে মাজে লগ পাইছিলো। আজি কিছুবছৰৰ আগতে তেখেত অসম সাহিত্য সভাৰ এখন অধিবেশনলৈ মুখ্য অতিথি হিচাবে গৈছিল। ঘুৰি আহি অসম আৰু অসম সাহিত্যসভাৰ প্ৰশংসা কৰি মোৰ আগত বহুত কথা কৈছিল।

তেখেতৰ দৰে এজন অবিশ্বাস্যভাবে প্ৰতিভাশালী মানুহৰ বিষয়ে লিখি অন্ত কৰিব নোৱাৰি। ভবিষ্যতে অলপ অলপকৈ লিখিবলৈ প্ৰয়াস কৰিম।